**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 11-12-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

# HEADLINES

**::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি দুদিনীয়া ভ্ৰমণসূচীৰে মণিপুৰলৈ যাব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ইটালীৰ উপ-প্ৰধানমন্ত্ৰী তথা বিদেশ মন্ত্ৰী এণ্ট'নিয় টাজানিৰ সৈতে বৈঠকত মিলিত হয়।

৩। ভাৰতীয় ৰে'লৱেই ২০২৩-২৪ বিত্তীয় বৰ্ষত যাত্ৰীসকলৰ যাত্ৰা সুলভ কৰি ৰাখিবলৈ ৬০ হাজাৰ কোটিৰো অধিক ধন ৰাজসাহায্য হিচাপে প্ৰদান কৰিছে বুলি কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে সদৰি কৰিছে।

৪। বিমান বাতিল আৰু উৰণত বিলম্ব হোৱাক কেন্দ্ৰ কৰি গুৰুগ্ৰামৰ ইণ্ডিগ' কৰ্পৰেট কাৰ্যালয়ত বিশেষ তদাৰকী গোট গঠন কৰা হৈছে। ***আৰু***

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি মুল্লানপুৰত অনুষ্ঠিত হ'ব।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি দুদিনীয়া ভ্ৰমণসূচীৰে মণিপুৰলৈ যাব। ভ্ৰমণকালত ৰাষ্ট্ৰপতিগৰাকীয়ে এলানি আনুষ্ঠানিক আৰু উন্নয়নমূলক কাৰ্যসূচীত অংশ ল'ব।

ৰাষ্ট্ৰপতিগৰাকী আজি ইম্ফলত উপস্থিত হোৱাৰ পাছতে তেওঁক পৰম্পৰাগতভাৱে সন্মান আৰু আদৰণি জনোৱা হ'ব। ইয়াৰ পাছত তেওঁ ঐতিহাসিক মাপল কাংজেইবুঙত এখন প্ৰদৰ্শনীমূলক পল' খেল প্ৰত্যক্ষ কৰিব। বিয়লিৰ ভাগলৈ ৰাষ্ট্ৰপতিগৰাকীয়ে তেওঁৰ সন্মানাৰ্থে মণিপুৰ চৰকাৰে ইম্ফলৰ চিটী কনভেন্সন চেণ্টাৰত আয়োজন কৰা অভ্যৰ্থনা অনুষ্ঠানত ভাগ ল'ব। আঞ্চলিক বিকাশৰ প্ৰতি থকা চৰকাৰৰ নিৰলস লক্ষ্যক প্ৰকাশ কৰিবলৈ তেওঁ ভ্ৰমণকালত বিভিন্ন আধাৰশিলা স্থাপন কৰাৰ লগতে ভালেকেইটা উন্নয়নমূলক প্ৰকল্প মুকলি কৰিব।

কাইলৈ ৰাষ্ট্ৰপতিগৰাকীয়ে ইম্ফলত থকা নুপি লাল স্মাৰক পৰিসৰ পৰিদৰ্শন কৰিব আৰু ৰাজ্যখনলৈ ঐতিহাসিক অৱদান আগবঢ়োৱা সাহসী মহিলা যোদ্ধাসকলৰ প্ৰতি সন্মান যাঁচিব। ইয়াৰ পাছত তেওঁ সেনাপতিত এখন জনসভা সম্বোধন কৰিব আৰু জিলাখনৰ উন্নয়ন ত্বৰান্বিত কৰিবলৈ বিভিন্ন আধাৰশিলা স্থাপন কৰাৰ লগতে প্ৰকল্প মুকলি কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীত ইটালীৰ উপ-প্ৰধানমন্ত্ৰী তথা বিদেশ মন্ত্ৰী এণ্ট'নিয় টাজানিৰ সৈতে বৈঠকত মিলিত হয়। সামাজিক মাধ্যমত লিখা এটা প'ষ্টত প্ৰধানমন্ত্ৰীয়ে কয়, যে ভাৰত আৰু ইটালীৰ বন্ধুত্ব ক্ৰমে অধিক শক্তিশালী হৈ উঠিছে। ইয়াৰ ফলত উভয় দেশৰ জনসাধাৰণ আৰু আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায় লাভান্বিত হৈছে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। বাণিজ্য, বিনিয়োগ, গৱেষণা, উদ্ভাৱন,

প্ৰতিৰক্ষা, মহাকাশ, যোগাযোগ, সন্ত্ৰাসবাদ বিৰোধী, শিক্ষা আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্কৰ দৰে মূল ক্ষেত্ৰসমূহত ২০২৫ৰ পৰা ২০২৯ বৰ্ষ পৰ্যন্ত বাহাল থাকিব লগা ইটালী-ভাৰত যুটীয়া কৌশলগত কাৰ্য পৰিকল্পনা ৰূপায়ণৰ ক্ষেত্ৰত দুয়োপক্ষই গ্ৰহণ কৰা সক্ৰিয় পদক্ষেপৰো তেওঁ শলাগ লয়।

০০০০০

ভাৰতীয় ৰে'লৱেই ২০২৩-২৪ বিত্তীয় বৰ্ষত যাত্ৰীসকলৰ যাত্ৰা সুলভ কৰি ৰাখিবলৈ ৬০ হাজাৰ কোটিৰো অধিক ধন ৰাজসাহায্য হিচাপে প্ৰদান কৰিছে। লোকসভাত এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কালি এই তথ্য প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে যাত্ৰাৰ মুঠ খৰচৰ ৪৫ শতাংশ যাত্ৰীসকলে ৰাজ সাহায্য হিচাপে লাভ কৰে। বিশ্বৰ ৰে'ল মানচিত্ৰত ভাৰতীয় ৰে'লত কৰা যাত্ৰাৰ খৰচ চকুত লগা ধৰণে কম বুলি তেওঁ উল্লেখ কৰে। চুবুৰীয়া দেশসমূহৰ তুলনাত ভাৰতে যাত্ৰীসকলক আটাইতকৈ সুলভ যাত্ৰাৰ সুবিধা প্ৰদান কৰি আহিছে বুলিও শ্ৰীবৈষ্ণৱে জানিবলৈ দিয়ে। চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ ফল হিচাপে বৰ্ষত ভাৰতীয় মালবাহী ৰে'লৰ পৰিবহন ক্ষমতা ২০২০-২১ বিত্তীয় বৰ্ষৰ ১২৩ দশমিক ৩ কোটি টনৰ পৰা যোৱাটো বিত্তীয় বৰ্ষত ১৬১ দশমিক ৭ কোটি টনলৈ বৃদ্ধি পাইছে বুলিও তেওঁ সংসদত প্ৰকাশ কৰে।

০০০০০

ৰাজ্যসভাত আজি ৰাষ্ট্ৰীয় গীত 'বন্দে মাতৰম'ৰ ১৫০ সংখ্যক বাৰ্ষিকী সন্দৰ্ভত অধিক আলোচনা কৰা হ'ব। কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাৰ ভাষণেৰে এই আলোচনাৰ সমাপ্তি ঘটিব। ইয়াৰ পাছত নিৰ্বাচনী সংস্কাৰ সন্দৰ্ভত ৰাজ্যসভাত আলোচনা অনুষ্ঠিত হ'ব।

০০০০০

ভাৰতীয় জনতা পাৰ্টিয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিদেশ ভ্ৰমণ সন্দৰ্ভত কংগ্ৰেছে কৰাৰ মন্তব্যৰ সমালোচনা কৰিছে। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত বিজেপিৰ মুখপাত্ৰ সুধাংশু ত্ৰিবেদীয়ে কংগ্ৰেছৰ মন্তব্যক নিন্দনীয় বুলি অভিহিত কৰি কয়, যে শ্ৰীমোদীয়ে চৰকাৰী ভ্ৰমণসূচী আৰু দেশৰ কামতহে বিদেশলৈ যায়। কংগ্ৰেছ নেতা তথা লোকসভাত বিৰোধী দলৰ নেতা ৰাহুল গান্ধীয়ে সংসদৰ প্ৰতিটো অধিবেশনৰ অন্তত ছুটী কটাবলৈ বিদেশলৈ যায় বুলি মুখপাত্ৰগৰাকীয়ে দাবী কৰে। তেওঁ কয়, যে দীৰ্ঘদিন ধৰি শাসনত থকা কংগ্ৰেছে কৰ্তব্যৰ খাতিৰত বিদেশলৈ যোৱা আৰু অৱসৰ বিনোদনৰ বাবে বিদেশলৈ যোৱাৰ মাজত থকা পাৰ্থক্য জনা উচিত। তেওঁ লগতে ভ্ৰমণৰ সময়ত শ্ৰীগান্ধীয়ে দেশৰ ভাৱমূৰ্তি কলংকিত কৰাৰো অভিযোগ উত্থাপন কৰে।

০০০০০

বিমান বাতিল আৰু বিমান উৰণত বিলম্ব হোৱাক কেন্দ্ৰ কৰি গুৰুগ্ৰামৰ ইণ্ডিগ'ৰ কৰ্পৰেট কাৰ্যালয়ত অসামৰিক বিমান পৰিবহণ সঞ্চালকালয়ে বিশেষ তদাৰকী গোট গঠন কৰিছে। সঞ্চালকালয়ে ঘোষণা কৰে, যে এই পদক্ষেপৰ লক্ষ্য হৈছে বিমান উৰণত বিলম্ব আৰু বাতিলৰ ফলত যাত্ৰীসকলে সন্মুখীন হোৱা অসুবিধা দূৰ কৰা। উপ-মুখ্য বিমান পৰিচালন পৰিদৰ্শক কেপ্তেইন বিক্ৰম শৰ্মাৰ নেতৃত্বত গঠিত এই আঠজনীয়া দলটোৱে বিমানৰ বিভিন্ন ক্ষেত্ৰ নিৰীক্ষণ কৰিব।

প্ৰতিদিনে বিমান সংস্থাটোৰ কাৰ্যালয়ত দুগৰাকী সদস্যক নিয়োজিত কৰা হ'ব। লগতে অসামৰিক বিমান পৰিবহণ সঞ্চালকালয়ৰ বিষয়া ঐশ্বৰ্য সিং আৰু মণি ভূষনে

দৈনিক বিমান বাতিল, ধন ঘূৰাই দিয়াৰ প্ৰক্ৰিয়া, সময়মতে কাম কৰা, যাত্ৰীৰ ক্ষতিপূৰণ আদি নিৰীক্ষণ কৰিব।

০০০০০

কেৰালাত মুখ্য নিৰ্বাচনী বিষয়া ড০ ৰথন ইউ কেলকাৰে জনাইছে, যে ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনৰ সৈতে জড়িত প্ৰ-পত্ৰৰ ডিজিটেল সংস্কৰণৰ সংখ্যা ২ কোটি ৭৪ লাখ ৭০ হাজাৰ ৯৩৬ লৈ বৃদ্ধি হৈছে। এয়া হৈছে বিতৰণ কৰা মুঠ প্ৰ-পত্ৰৰ ৯৮ দশমিক ৬-৪ শতাংশ। তেওঁ লগতে কয়, যে অনুপস্থিতি, মৃত্যু, বাসস্থান স্থানান্তৰ আৰু অন্যান্য কাৰণৰ বাবে সংগ্ৰহ কৰিব নোৱাৰা প্ৰ-পত্ৰৰ সংখ্যা ২৩ লাখ ৪২ হাজাৰ ২৯৪ লৈ বৃদ্ধি পাইছে। ড০ কেলকাৰে উল্লেখ কৰে, যে এই সংখ্যা চূড়ান্ত নহয়, কিয়নো কেইবাজনো বুথ পৰ্যায়ৰ বিষয়াই এতিয়াও ডিজিটেল সংস্কৰণ সম্পূৰ্ণ কৰিব পৰা নাই। সকলো তথ্য অন্তৰ্ভুক্ত কৰিলেই প্ৰকৃত সংখ্যা আৰু অধিক হ'ব বুলি আশা কৰা হৈছে। এতিয়াও প্ৰ-পত্ৰ জমা নিদিয়াসকলক শীঘ্ৰে নিজ নিজ খণ্ড উন্নয়ন বিষয়াক জমা দিয়াৰ লগতে জনসাধাৰণক পূৰ্ণ সহযোগ কৰিবলৈ ড কেলকাৰে আহ্বান জনায়।

০০০০০

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জগত প্ৰসাদ নাড্ডাই কালি যক্ষ্মা মুক্ত ভাৰত গঢ়ি তুলিবলৈ চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ সন্দৰ্ভত গুজৰাটৰ সাংসদসকলৰ সৈতে বাৰ্তালাপ কৰে। সকলো স্তৰৰ লোকৰ অংশগ্ৰহণ, বিভিন্ন পদক্ষেপৰ সম্প্ৰসাৰণ আৰু সেই সমূহৰ অনুসৰণে যক্ষ্মা ৰোগৰ বিৰুদ্ধে দেশৰ যুঁজ কিদৰে ত্বৰান্বিত কৰিছে, সেই সন্দৰ্ভত সাংসদসকলৰ সৈতে আলোচনা কৰা হয় বুলি সামাজিক মাধ্যমত লিখা এটা প'ষ্টত শ্ৰীনাড্ডাই উল্লেখ কৰে। নতুন দিল্লীত অনুষ্ঠিত বৈঠকৰ সময়ত সাংসদসকলে সমাজৰ সকলো সম্প্ৰদায়ৰ লোকৰ কাৰ্যকলাপ তীব্ৰতৰ কৰি তোলা, সজাগতামূলক উদ্যমসমূহৰ সম্প্ৰসাৰণ কৰা আৰু এই কাৰ্যসূচীসমূহৰ অগ্ৰগতি নিৰীক্ষণ কৰাৰ বাবে সংকল্প গ্ৰহণ কৰে। এই সংকল্পই যক্ষ্মা ৰোগ নিৰ্মূলকৰণৰ বাবে থকা ৰাষ্ট্ৰীয় লক্ষ্যত উপনীত হোৱাৰ বাবে গুজৰাটৰ নেতৃত্বক নতুন গতি প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে চলিত সপ্তাহৰ শেষলৈ মধ্য, পূব আৰু উত্তৰ ভাৰতত শীত প্ৰবাহ অব্যাহত থাকিব বুলি প্ৰকাশ কৰিছে। বিভাগে প্ৰকাশ কৰা অনুসৰি আজি আৰু কাইলৈ মধ্যপ্ৰদেশৰ পশ্চিম অঞ্চলৰ বিভিন্ন অংশৰ লগতে বিদৰ্ভ আৰু চত্তীশগড়ত শীতৰ প্ৰকোপ অব্যাহত থাকিব। মহাৰাষ্ট্ৰৰ মধ্য অঞ্চল, মাৰাঠৱাৰা, তেলেংগানা, কৰ্ণাটক আৰু ওড়িশা উভয় ৰাজ্যৰে উত্তৰ অংশৰ অভ্যন্তৰীণ অঞ্চলসমূহতো পৰৱৰ্তী দুটা দিনত একে পৰিৱেশে বিৰাজ কৰিব বুলি বিভাগে প্ৰকাশ কৰিছে। মহাৰাষ্ট্ৰত পৰৱৰ্তী তিনিটা দিনত সৰ্বনিম্ন তাপমাত্ৰা ক্ৰমান্বয়ে ২ৰ পৰা ৩ ডিগ্ৰী ছেলছিয়াৰ পৰ্যন্ত হ্ৰাস পোৱাৰ আগলি বতৰা দিয়া হৈছে।

০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি নিউ চণ্ডীগড়ৰ মুল্লানপুৰত থকা মহাৰাজা যাদবিন্দ্ৰ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

এয়া হ'ব মুল্লানপুৰত পুৰুষৰ প্ৰথমখন আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট খেল। সূৰ্যকুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতীয় দলটোৱে যোৱা মঙলবাৰে  কটকত অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন খেলত আলহী দলটোক ১০১

ৰানৰ বিশাল ব্যৱধানত পৰাস্ত কৰি ইতিমধ্যে ১-০ ফলাফলেৰে অগ্ৰগতি লাভ কৰিছে। খেলখনত আগবঢ়োৱা উজ্জীৱিত প্ৰদৰ্শনৰ হাৰ্ডিক পাণ্ডিয়াক প্লেয়াৰ অৱ দা মেচ সন্মান আগবঢ়োৱা হয়। ভাৰতীয় দলটোৱে আজিৰ খেলখনতো জয়ৰ ধাৰা অব্যাহত ৰখাৰ বাবে আপ্ৰাণ প্ৰয়াস চলাব।

শৃংখলাৰ তৃতীয়খন খেল ধৰমশালাত, চতুৰ্থখন খেল লক্ষ্ণৌত আৰু পঞ্চম তথা অন্তিমখন খেল আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত খেলোৱা হ'ব।

০০০০০

সেমাপ্ত